# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 09-09-2024
**Time :** 19.10 hrs

## *Assamese Evening Bulletin*

## HEADLINES

১। ভাৰত আৰু ইউ এ ইয়ে পাৰমানৱিক শক্তি আৰু পেট্ৰলিয়ামকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ৫ খন চুক্তিত স্বাক্ষৰ কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে পদ্ম সন্মানৰ বাবে প্ৰেৰণাদায়ক ব্যক্তিৰ নাম মনোনিত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

৩। বিদেশ মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে আজি ৰিয়াধত ভাৰত-উপ সাগৰীয় সহযোগিতা পৰিষদৰ একাংশ সদস্য ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

৪। কেন্দ্ৰীয় চৰকাৰে মাংকিপ'ক্স নাইবা এমপক্সত আক্ৰান্ত বুলি সন্দেহ কৰা লোকৰ নিৰীক্ষণ আৰু পৰীক্ষণ কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰতি আহ্বান জনাইছে। *আৰু*

৫। ভাৰতীয় স্থল সেনা আৰু বায়ুসেনাই আজি ৰচদপাতিৰ সঞ্চালৰ সৈতে জড়িত জোৱানসকলৰ দক্ষতা আৰু সামৰ্থ বৃদ্ধিৰ উদ্দেশ্যে  গতিশক্তি বিশ্ববিদ্যালয়ৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

০০০

ভাৰত আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ-ইউ এ ইয়ে পাৰমানৱিক শক্তি আৰু পেট্ৰলিয়ামকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ৫ খন চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰে ভিতৰত বাৰাকাহ্‌ পাৰমানবিক শক্তি প্ৰকল্পৰ সঞ্চালন আৰু তদাৰক সন্দৰ্ভত এমিৰেটছ্‌ নিউক্লিয়াৰ এনাৰ্জী কোম্পানী আৰু নিউক্লিয়াৰ পাৱাৰ কৰ্পৰেছন অৱ ইণ্ডিয়া লিমিটেডৰ মাজত স্বাক্ষৰিত বুজাবুজিৰ চুক্তি আছে। ইয়াৰ উপৰি আবুধাবিত নেচনেল অইল কোম্পানী আৰু ইণ্ডিয়ান অইল কৰ্পৰেশ্বন লিমিটেডৰ মাজত দীৰ্ঘকালিন প্ৰাকৃতিক গেছ্‌ যোগান সন্দৰ্ভত এখন চুক্তি সম্পাদিত হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আবুধাবিৰ যুৱৰাজ শ্বেইখ খালিদ বিন মহম্মদ বিন জায়দ অল নাহ্য়ানৰ মাজত আজি নতুন দিল্লীত হোৱা আলোচনাৰ অন্তত এই চুক্তি স্বাক্ষৰিত হয়। আলোচনাকালত  দুয়োগৰাকী নেতাই ভাৰত আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইৰ মাজৰ বহুমুখী সম্পৰ্ক আৰু সৰ্বাত্মক কৌশলগত সহযোগিতা নতুন তথা উদীয়মান ক্ষেত্ৰলৈ সম্প্ৰসাৰিত কৰাৰ বিষয়ে আলোচনা কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিয়লি ৰাষ্ট্ৰপতিভৱনত অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰে। সাক্ষাৎকালত ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰত আৰু ইউ ই এৰ মাজৰ ঘণিষ্ঠ আৰু মৈত্ৰীপূৰ্ণ সম্পৰ্কৰ প্ৰশংসা কৰে। যুৱৰাজগৰাকীয়ে আজি ৰাজঘাটলৈ হৈ মহাত্মা গান্ধীৰ সমাধিতো পুস্পাৰ্ঘ্য নিবেদন কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম সন্মানৰ বাবে প্ৰেৰণাদায়ক ব্যক্তিৰ নাম মনোনিত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। এই সন্মানৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ১৫ চেপ্তেম্বৰ। এই সন্মানৰ বাবে ভালেসংখ্যক মনোনয়ন লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে আজি সামাজিক মাধ্যমযোগে কয় যে, বিগত দশকত চৰকাৰে নায়কস্বৰূপ তৃণমূল পৰ্যায়ৰ অগণন লোকক পদ্ম সন্মানেৰে বিভূষিত কৰিছে। তেওঁ কয় যে, সন্মানপ্ৰাপক এই ব্যক্তিসকলৰ জীৱন গাথাই অসংখ্য লোকক অনুপ্ৰাণিত কৰিছে আৰু এই ব্যক্তিসকলৰ কাম-কাজৰ মাজেৰে সাহস আৰু দৃঢ়তা প্ৰতিফলিত হৈছে। চৰকাৰে এই সন্মানৰ বাচনি প্ৰক্ৰিয়া অধিক স্বচ্ছ আৰু অংশগ্ৰহণমূলক কৰি তোলাৰ উদ্দেশ্যে বিভিন্ন পদ্ম সন্মানৰ জনসাধাৰণৰ পৰা মনোনয়ন বিচাৰিছে। জনসাধাৰণে awards.gov.in. ৱেবছাইটৰ জৰিয়তে নাম মনোনয়ন কৰিব পাৰিব।

০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ৰিয়াধত অনুষ্ঠিত ভাৰত-উপ সাগৰীয় সহযোগিতা পৰিষদৰ বিদেশ মন্ত্ৰীসকলৰ প্ৰথমলানি বৈঠকত অংশগ্ৰহণ কৰাৰ সুযোগতে উপসাগৰীয় সহযোগিতা পৰিষদৰ একাংশ সদস্য ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত বিভিন্ন দ্বিপাক্ষিক, আঞ্চলিক আৰু গোলকীয় বিষয় সামৰি লোৱা হয়। চৌদি আৰবৰ বিদেশ মন্ত্ৰী ফেইচাল বিন ফৰহানৰ সৈতে হোৱা আলোচনাত ড০ জয়শংকৰে দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা চলায় আৰু দুয়োগৰাকী নেতাই বিভিন্ন গোলকীয় আৰু আঞ্চলিক বিষয় লৈ মত বিনিময় কৰে। ড০ জয়শংকৰে শ্ৰীফৰহানক ভাৰতলৈ আমন্ত্ৰণ জনায়। ড০ জয়শংকৰে কুৱেইটৰ বিদেশ মন্ত্ৰী আব্দুল্লা আলি অল য়াহ্যাৰ সৈতে হোৱা আলোচনাকালত ভৱিষ্যতে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰা আৰু শীঘ্ৰে যুটীয়া আয়োগৰ বৈঠক অনুষ্ঠিত কৰাৰ বিষয় লৈ আলোচনা কৰে।

ড০ জয়শংকৰে আৰু বাহৰেইনৰ বিদেশ মন্ত্ৰী আব্দুল্লাটিফ বিন ৰচিদ অল জয়ানিৰ মাজৰ বৈঠকত পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহৰ পৰ্যালোচনা চলোৱা হয়। তেওঁ বাহৰেইনত থকা ভাৰতীয় সম্প্ৰদায়ৰ গুৰুত্বপূৰ্ণ অৱদানৰ ভূয়সী প্ৰশংসা কৰে আৰু শীঘ্ৰে যুটীয়া আয়োগৰ বৈঠক অনুষ্ঠিত কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

ওমানৰ বিদেশ মন্ত্ৰী বদৰ অলবুছায়দি আৰু বিদেশ মন্ত্ৰী জয়শংকৰৰ মাজৰ আলোচনাত ভাৰত আৰু ওমানৰ মাজৰ কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ বিষয়টোৱে স্থান লাভ কৰে। ড০ জয়শংকৰে ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মাউৰী ৰিয়েৰাকো সাক্ষাৎ কৰে। তেওঁলোকে জি টুৱেণ্টি, ব্ৰীক্স আৰু ইউক্ৰেইনৰ সংঘৰ্ষসহ বিভিন্ন বহুপাক্ষিক বিষয় লৈ আলোচনা কৰে।

০০০

কেন্দ্ৰীয় চৰকাৰে মাংকিপ'ক্স নাইবা এমপক্সত আক্ৰান্ত বুলি সন্দেহ কৰা লোকৰ নিৰীক্ষণ আৰু পৰীক্ষণ কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰতি আহ্বান জনাইছে। বিশ্ব স্বাস্থ্য সংস্থাই মাংকিপ'ক্সৰ প্ৰাদুৰ্ভাৱক লৈ জনস্বাস্থ্যৰ ক্ষেত্ৰত আন্তৰাষ্ট্ৰীয় উদ্বেগৰ জৰুৰী অৱস্থা ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই ৰাজ্যসমূহলৈ পৰামৰ্শৱলী জাৰি কৰিছে। মন্ত্ৰালয়ে এই পৰামৰ্শৱলীত মাংকিপক্সক সন্দৰ্ভত সজাগতা বৃদ্ধি আৰু ৰোগবিধক লৈ জনসাধাৰণৰ মাজৰ সৃষ্টি হোৱা অযথা ভয় দূৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৈছে। ইয়াৰ উপৰি এই ৰোগ ধৰা পৰাৰ লগে লগে অৱগত কৰি প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈও পৰামৰ্শৱলীত কোৱা হৈছে।

মন্ত্ৰালয়ে লগতে জ্যেষ্ঠ বিষয়াসকলক ৰাজ্য আৰু জিলা পৰ্যায়ত স্বাস্থ্য সুবিধা বিশেষকৈ জনস্বাস্থ্য বিষয়ক প্ৰস্তুতি পৰ্যালোচনা চলোৱাৰ নিৰ্দেশ দিছে। ৰাজ্যসমূহক সন্দেহজনক আৰু নিশ্চিত ঘটনাৰ তদাৰক কৰাৰ বাবে চিকিৎসালয়ত পৃথক সুবিধা তথা আৰশ্যকীয় ঔষধপাতি তথা প্ৰশিক্ষিত মানৱ সম্পদৰ চিনাক্ত কৰিবলৈ কৈছে। স্বাস্থ্য কৰ্মী বিশেষকৈ চাল, যৌন সংক্ৰমিত ৰোগৰ চিকিৎসালয় আৰু ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰণ সংস্থা চিকিৎসালয়ত কাম কৰা কৰ্মীসকলক স্বাস্থ্য সম্পৰ্কীয় নীতি নিয়মসমূহ পালন কৰিবলৈ কোৱা হৈছে। শ্ৰীচন্দ্ৰই কয় যে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে বিষয়টো ঘণিষ্ঠ সহকাৰে নিৰীক্ষণ কৰি যাব আৰু ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ সকলো ধৰণৰ সহায় আগবঢ়াব।

০০০

ভাৰতীয় স্থল সেনা আৰু বায়ুসেনাই আজি ৰচদপাতিৰ সঞ্চালনৰ সৈতে জড়িত জোৱানসকলৰ দক্ষতা আৰু সামৰ্থ বৃদ্ধিৰ উদ্দেশ্যে গতিশক্তি বিশ্ববিদ্যালয়ৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই উপলক্ষে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, বিশ্বমানৰ আৰু ভৱিষ্যতৰ আৰশ্যকতা পূৰণ কৰিব পৰা ৰচদপাতি পৰিবহন ব্যৱস্থাৰ নিৰ্মাণ আৰু প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতা গঢ়ি তোলাৰ দিশৰ পৰা এই সহযোগিতা অতিকে গুৰুত্বপূৰ্ণ। অনুষ্ঠানত ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে এই বিশ্ববিদ্যালয়খনে অত্যাধুনিক পৰিবহন শিক্ষা, গৱেষণা আৰু উদ্ভাৱনেৰে সশস্ত্ৰ বাহিনীসমূহক সৱল কৰি তোলাত গুৰুত্বপূৰ্ণ সহযোগী হিচাপে কাম কৰিব।

০০০

সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে অধ্যক্ষতা কৰা এই বৈঠকত বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰী আৰু বিভিন্ন ৰাজ্যৰ বিত্তমন্ত্ৰীসকলে অংশগ্ৰহণ কৰে। পৰিষদে কৰ্কট ৰোগৰ চিকিৎসাত ব্যৱহৃত বিভিন্ন ঔষধৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। একেদৰে নিমখীয়া আৰু একাংশ খাদ্য সামগ্ৰীৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ ১৮ ৰ পৰা ১২ শতাংশলৈ হ্ৰাস কৰা হৈছে। সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে সংবাদ মাধ্যমক অৱগত কৰি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই বিষয়ে প্ৰকাশ কৰে।

০০০

বিজেপিয়ে পশ্চিমবংগৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ নিৰপেক্ষ তদন্তৰ স্বাৰ্থত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ পদত্যাগ দাবী কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই লগতে মহিলা সুৰক্ষা প্ৰদানত ব্যৰ্থ হোৱাৰ বাবে কলকাতাৰ আৰক্ষী আয়ুক্তক পদৰ পৰা অপসাৰণ কৰিব লাগে বুলি দাবী উত্থাপন কৰে। শ্ৰীভাটিয়াই কয় যে বিজেপিয়ে ভুক্তভোগী পৰিয়ালৰ বাবে ন্যায় আৰু পশ্চিমবংগত মহিলাৰ নিৰাপত্তা বিচাৰে।

০০০

আম আদমী পাৰ্টীয়ে হাৰিয়ানাৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ২০ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। দলটোৱে বীজেন্দৰ হুদাক ৰহতক আসনৰ পৰা আৰু ইন্দু শৰ্মাক ভিৱানি আসনৰ পৰা দলীয় প্ৰাৰ্থি

হিচাপে প্ৰক্ষেপ কৰিছে। পবন ফৌজিক উচানা কালান আৰু জয়পাল শৰ্মাক ঘৰোন্দা সমষ্টিৰ পৰা দলৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে।

০০০

সমাপ্ত